# 2012

## POLITICAL SCIENCE

## ( General )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

## Option—I

### ( International Relations—I )

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

*(a)* "International Relations is a subject concerned with the State system." This was said by Charles P. Schleicher / Hartman / Palmer and Perkins.

(Choose the correct one)

"ৰাষ্ট্ৰ ব্যৱস্থাৰ লগত জড়িত বিষয়টোৱেই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক।" এই কথাষাৰ কৈছিল শ্লেছাৰে / হাৰ্টম্যানে / পালমাৰ আৰু পাৰ্কিন্সে।

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(b) Who among the following is regarded as a liberalist?

তলত দিয়া কোনজনক উদাৰতাবাদী হিচাপে অভিহিত কৰা হয়?

(i) Wilson / উইলছন

(ii) Morgenthau / মৰগ্যানথিউ

(iii) Morton Kaplan / মৰ্টন কাপলান

(c) Who is the author of the book, *Politics Among Nations : The Struggle for Power and Peace*?

*Politics Among Nations : The Struggle for Power and Peace* গ্ৰন্থখনৰ লিখক কোন?

(d) Mention any one model discussed by Morton Kaplan in his system approach.

মৰ্টন কাপলানে তেওঁৰ ব্যৱস্থাপক দৃষ্টিভংগীত আলোচনা কৰা যি কোনো এটা আৰ্হি উল্লেখ কৰা।

(e) "War can be considered as one of the methods of maintaining balance of power."

(Write True or False)

"যুদ্ধক ক্ষমতাৰ ভাবসাম্য ৰক্ষাৰ এটা উপায় হিচাপে বিবেচনা কৰা হয়।"

(শুদ্ধ নে অশুদ্ধ লিখা)

(f) What is meant by 'Buffer State'?

'Buffer State' মানে কি?

(g) Name two member countries of the American Bloc.

আমেৰিকাৰ শিবিৰত যোগদান কৰা দুখন সদস্য দেশৰ নাম লিখা।

(h) Write the full form of 'MAD'.

'MAD'ৰ সম্পূৰ্ণ ৰূপটো লিখা।

(i) Name the two Japanese cities where the USA had dropped the Atom Bomb in 1945.

আমেৰিকা যুক্তৰাষ্ট্ৰই 1945 চনত এটোম বোমা বৰ্ষণ কৰা জাপানী চহৰ দুখনৰ নাম লিখা।

(j) Was Italy a member of the Axis Power? (Write Yes or No)

ইটালী অক্ষ শক্তিৰ (ৰাজনৈতিক মিত্ৰতা) সদস্য আছিলনে?

(হয় নে নহয় লিখা)

2. Write very short answer : 2×5=10

অতি চমু উত্তৰ দিয়া :

(a) What was the Cuban Crisis?

কিউবাৰ সংকট কি আছিল?

(b) What do you understand by Warsaw Pact?

ৱাৰ্শ চুক্তি বুলিলে কি বুজা ?

(c) Name two countries that joined the Soviet Bloc.

ছোভিয়েট পক্ষত যোগদান কৰা দুখন দেশৰ নাম লিখা।

(d) Explain, in brief, two differences between International Politics and International Relations.

আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ মাজৰ দুটা প্ৰভেদ চমুকৈ ব্যাখ্যা কৰা।

(e) Explain two principles of Morgenthau's Realism.

মৰগ্যানথিউৰ বাস্তৱবাদী ধাৰণাৰ দুটা আদৰ্শ ব্যাখ্যা কৰা।

3. Write short answer (any *four*) : 5×4=20

চমু উত্তৰ লিখা (যি কোনো চাৰিটা) :

(a) Discuss two important relations conducted by the sovereign States that include in the study of International Relations.

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ অধ্যয়নত অন্তৰ্ভুক্ত কৰা সাৰ্বভৌম ৰাষ্ট্ৰসমূহৰ মাজৰ দুটা গুৰুত্বপূৰ্ণ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা।

(b) Do you think that social/nonpolitical groups, organisations and their activities influence the interactions of the sovereign States? Give reasons with examples.

সামাজিক তথা অৰাজনৈতিক সংস্থা আৰু গোষ্ঠীসমূহ আৰু সিবিলাকৰ কাৰ্যাৱলীয়ে সাৰ্বভৌম ৰাষ্ট্ৰসমূহৰ আন্তঃক্ৰিয়াক প্ৰভাৱান্বিত কৰে বুলি তুমি ভাবানে? উদাহৰণসহ যুক্তি দিয়া।

(c) What do you understand by 'Nation-State system'? Briefly examine how non-State actors and interdependence weakened the Nation-State system.

জাতি-ৰাষ্ট্ৰ ব্যৱস্থা বুলিলে কি বুজা? অ-ৰাষ্ট্ৰীয় সংস্থা আৰু আন্তঃনিৰ্ভৰশীলতাই কিদৰে বৰ্তমান জাতি-ৰাষ্ট্ৰসমূহৰ সত্তাক দুৰ্বল কৰি তুলিছে, চমুৱাই লিখা।

(d) Briefly examine the causes of the Second World War.

দ্বিতীয় বিশ্বযুদ্ধৰ কাৰণবোৰ চমুকৈ পৰীক্ষা কৰা।

(e) Discuss, in brief, three methods of maintaining Balance of Power.

ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ তিনিটা পদ্ধতি চমুকৈ আলোচনা কৰা।

(f) Explain three means of promoting National Interest.

জাতীয় স্বাৰ্থ পূৰণৰ তিনিটা উপায় ব্যাখ্যা কৰা।

4. Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Define International Relations. Discuss the nature and scope of International Relations.

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ সংজ্ঞা দিয়া। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ প্ৰকৃতি আৰু পৰিসৰ আলোচনা কৰা।

*Or / অথবা*

State and evaluate the liberal approach to the study of International Relations. Discuss the relevance of the liberal approach to contemporary International Politics.

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক অধ্যয়নৰ উদাৰতাবাদী দৃষ্টিভংগী লিখি মূল্যায়ন কৰা। সমসাময়িক আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি অধ্যয়নৰ ক্ষেত্ৰত উদাৰতাবাদী দৃষ্টিভংগীৰ প্ৰাসংগিকতা আলোচনা কৰা।

(b) Examine the efforts made by the League of Nations for establishing International Security.

আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা ৰক্ষাৰ কাৰণে জাতিসংঘই চলোৱা প্ৰচেষ্টাবোৰ পৰীক্ষা কৰা।

*Or / অথবা*

Explain the advantages and disadvantages of Balance of Power. Is it relevant to contemporary International Relations?

ক্ষমতাৰ ভাৰসাম্য ধাৰণাৰ সুবিধা আৰু অসুবিধাবোৰ ব্যাখ্যা কৰা। সমসাময়িক আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত ই প্ৰাসংগিকনে?

*(c)* Discuss the consequences of the Second World War.

দ্বিতীয় বিশ্বযুদ্ধৰ ফলাফল আলোচনা কৰা।

*Or / অথবা*

What do you mean by Cold War? How did it originate? Discuss the impact of Cold War in International Politics.

শীতল যুদ্ধ বুলিলে কি বুজা? ই কিদৰে উৎপত্তি হৈছিল? আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত শীতল যুদ্ধৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

*(d)* Explain the characteristics of Collective Security System.

সামূহিক নিৰাপত্তা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

*Or / অথবা*

Discuss the main events during the first phase of the Cold War.

শীতল যুদ্ধৰ প্ৰথম পৰ্যায়ৰ মূল ঘটনাৱলী আলোচনা কৰা।

## Option—II

### ( Politics in India—I )

**5.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

(a) "India has federation with a strong centralising tendency." Who said this?

"শক্তিশালী কেন্দ্ৰীয় প্ৰৱণতাৰ সৈতে ভাৰতবৰ্ষ এখন যুক্তৰাষ্ট্ৰ।" এই কথাষাৰ কোনে কৈছিল ?

(b) What is the meaning of the word 'mandamus'?

'ম্যাণ্ডামাছ্' শব্দৰ অৰ্থ কি ?

(c) The word 'Swaraj' was first used for the rise of nationalism and independence in the minds of Indian people by Dayanand Saraswati / Raja Ram Mohan Roy / Bal Gangadhar Tilak.

(Choose the correct one)

'স্বৰাজ' শব্দটো ভাৰতীয় লোকৰ মনত জাতীয়তাবোধ আৰু স্বাধীনতাৰ ভাব জগাই তুলিবলৈ পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল দয়ানন্দ সৰস্বতী / ৰাজা ৰামমোহন ৰায় / বাল গংগাধৰ তিলক।

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(d) The name of the author of the book, *An Introduction to Constitution of India*, is

(i) A. B. Keith

(ii) M. V. Pylee

(iii) Granville Austin

(Choose the correct one)

*An Introduction to Constitution of India* কিতাপখনৰ লিখকগৰাকীৰ নাম হ'ল

(i) এ. বি. কেইথ

(ii) এম. ভি. পাইলী

(iii) গ্ৰেনভিল অষ্টিন

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(e) In Indian Constitution, the Fundamental Rights are incorporated from Article 12 to Article ——.

(Fill in the blank)

ভাৰতীয় সংবিধানত 12ৰ পৰা —— নং অনুচ্ছেদলৈকে মৌলিক অধিকাৰবোৰ সন্নিৱিষ্ট কৰা হৈছে।

(খালী ঠাই পূৰণ কৰা)

(f) —— was elected member from Assam to the Drafting Committee of Indian Constitution.

(Fill in the blank)

ভাৰতীয় সংবিধানৰ খচৰা সমিতিলৈ নিৰ্বাচিত অসমৰ সদস্যগৰাকী —— আছিল।

(খালী ঠাই পূৰণ কৰা)

*(g)* In Indian Constitution, the Fundamental Rights are expressed as a bedrock of Indian Democracy.

(Write True or False)

ভাৰতীয় সংবিধানত মৌলিক অধিকাৰসমূহক ভাৰতীয় গণতন্ত্ৰৰ 'ভিত্তি-প্ৰস্তৰ' বুলি অভিহিত কৰা হৈছে।

(শুদ্ধ নে অশুদ্ধ লিখা)

*(h)* The word 'Secular' was added to the Preamble of the Indian Constitution by the 42nd Constitutional Amendment of 1976.

(Write True or False)

ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাত 'ধৰ্মনিৰপেক্ষ' শব্দটো 1976 চনৰ 42তম সংবিধান সংশোধনী আইন মতে অন্তৰ্ভুক্ত কৰা হৈছিল।

(শুদ্ধ নে অশুদ্ধ লিখা)

*(i)* Who authored the book, *Social Background of Indian Nationalism*?

*(i)* Jawaharlal Nehru

*(ii)* Dr. S. Radhakrishnan

*(iii)* A. R. Desai

(Choose the correct one)

*Social Background of Indian Nationalism* গ্ৰন্থখনৰ লিখক কোন?

*(i)* জৱাহৰলাল নেহেৰু

*(ii)* ড০ এছ. ৰাধাকৃষ্ণন

*(iii)* এ. আৰ. দেশাই

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(j) Which of the following books was authored by Maulana Abul Kalam Azad?

(i) *A Discovery of India*

(ii) *India Wins Freedom*

(iii) *Planter-Raj to Swaraj*

মৌলানা আবুল কালাম আজাদে তলৰ কোনখন গ্ৰন্থ ৰচনা কৰিছিল ?

(i) *A Discovery of India*

(ii) *India Wins Freedom*

(iii) *Planter-Raj to Swaraj*

**6.** Write very short answer : 2×5=10

অতি চমু উত্তৰ দিয়া :

(a) Write any two recommendations of the Cabinet Mission Plan.

কেবিনেট মিচনৰ যি কোনো দুটা পৰামৰ্শ লিখা।

(b) Write any two differences between Fundamental Rights and other rights.

মৌলিক অধিকাৰ আৰু অন্য অধিকাৰৰ মাজত যি কোনো দুটা পাৰ্থক্য লিখা।

(c) What do you mean by Anti-Defection Law?

দলত্যাগ নিৰোধক আইন বুলিলে কি বুজা ?

(d) Mention two aspects of Right to Equality of Indian Constitution.

ভাৰতীয় সংবিধানৰ সমতাৰ অধিকাৰৰ দুটা দিশ উল্লেখ কৰা ।

(e) What is meant by Dyarchy in the context of British Rule in India?

ভাৰতবৰ্ষত বৃটিছ্ শাসনৰ প্ৰসংগত দ্বৈতশাসন বুলিলে কি বুজা ?

7. Write short answer (any *four*) : 5×4=20

চমু উত্তৰ লিখা (যি কোনো চাৰিটা) :

(a) Write a note on the Indian Councils Act, 1909.

ভাৰত পৰিষদ আইন, 1909 চনৰ ওপৰত এটি টোকা লিখা ।

(b) Evaluate the philosophy of Indian Constitution.

ভাৰতীয় সংবিধানৰ দৰ্শনৰ মূল্যায়ন কৰা ।

(c) Mention five unitary features of the Constitution of India.

ভাৰতীয় সংবিধানৰ পাঁচটা এককেন্দ্ৰিক বৈশিষ্ট্য উল্লেখ কৰা ।

(d) Write five suggestions of Sarkaria Commission for the appointment of Governor.

ৰাজ্যপালৰ নিয়োগৰ ক্ষেত্ৰত ছাৰকাৰিয়া আয়োগৰ পাঁচটা পৰামৰ্শ লিখা ।

(e) Write the ideals of the Preamble to the Constitution of India.

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সন্নিৱিষ্ট আদৰ্শসমূহ লিখা ।

(f) Discuss the composition of the Constituent Assembly of India.

ভাৰতবৰ্ষৰ সংবিধান সভাৰ গঠন সম্পৰ্কে আলোচনা কৰা ।

**8.** Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Define colonial legacy. Discuss the colonial legacy of Indian political system.

ঔপনিবেশিক পৰম্পৰা বুলিলে কি বুজা? ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ ঔপনিবেশিক পৰম্পৰাৰ বিষয়ে আলোচনা কৰা ।

*Or / অথবা*

Discuss various features of the Government of India Act, 1919.

1919 চনৰ ভাৰত চৰকাৰ আইনৰ বিভিন্ন বৈশিষ্ট্যসমূহ আলোচনা কৰা ।

*(b)* Evaluate the Fundamental Rights of the Indian citizens. How are they safeguarded?

ভাৰতীয় নাগৰিকসকলৰ মৌলিক অধিকাৰসমূহৰ মূল্যায়ন কৰা। এইবোৰ কেনেকৈ সুৰক্ষিত কৰা হয়?

*Or / অথবা*

Discuss the administrative relations between the Centre and the States. Write on central dominance in administrative matters.

কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত প্ৰশাসনিক সম্পৰ্ক আলোচনা কৰা। প্ৰশাসনিক দিশত কেন্দ্ৰীয় প্ৰাধান্যৰ বিষয়ে লিখা।

*(c)* Explain the federal characteristics of Indian Federalism.

ভাৰতীয় যুক্তৰাষ্ট্ৰবাদৰ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

*Or / অথবা*

Examine the rôle of the Governor with special reference to the North-Eastern States.

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যৰ প্ৰসংগত ৰাজ্যপালৰ ভূমিকা বিচাৰ কৰা।

*(d)* Examine the impact of the Government of India Act of 1935 on the making of Indian Constitution.

ভাৰতবৰ্ষৰ সংবিধান প্ৰণয়নত 1935 চনৰ ভাৰত চৰকাৰ আইনৰ প্ৰভাৱ ব্যাখ্যা কৰা ।

*Or / অথবা*

Discuss the influence of constitutions of other countries in the making of Indian Constitution.

ভাৰতবৰ্ষৰ সংবিধান প্ৰণয়ন প্ৰক্ৰিয়াত অন্যান্য দেশৰ সংবিধানসমূহৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা ।

★★★